অসম প্ৰকাশন পৰিষদ, বামুণীমৈদাম, গুৱাহাটী, ৭৮১০২১, ফোন ঃ ০৩৬১-২৫৫০০৩৫

Assam Publication Board, Bamunimaidam, Guwahati-781021, Ph-0361-255035

# গুৱাহাটী গ্ৰন্থমেলাত দেবেন্দ্ৰনাথ আচাৰ্যৰ সাহিত্যকৃতিৰ আলোচনা

**গুৱাহাটী, ২৬ ডিচেম্বৰ ঃ** ৩১তম গুৱাহাটী গ্ৰন্থমেলাত আজি অসমীয়া সাহিত্যৰ এগৰাকী অতি ব্যতিক্ৰমী, সংবেদনশীল তথা সংযমী ঔপন্যাসিক দেবেন্দ্ৰনাথ আচাৰ্যৰ সাহিত্যকৃতি সম্পৰ্কে এক মনোজ্ঞ আলোচনাচক্ৰ অনুষ্ঠিত হয়। 'অন্য যুগ অন্য পুৰুষ', 'কালপুৰুষ' আৰু 'জংগম' উপন্যাসৰ জৰিয়তে অসমীয়া সাহিত্যত যুগমীয়া কীৰ্তি স্থাপন কৰি যোৱা এইগৰাকী সাহিত্যিকৰ বিষয়ে বিশিষ্ট সমালোচক গৱেষক, লেখক ড° গোবিন্দ প্ৰসাদ শৰ্মা; বিশিষ্ট সমালোচক লেখক ড° শৈলেন ভড়ালী; গৱেষক, লেখক ড° সত্যকাম বৰঠাকুৰ আৰু বিশিষ্ট সাংবাদিক, লেখক সমুদ্ৰগুপ্ত কাশ্যপে বিশদ আলোচনা দাঙি ধৰে। গ্ৰন্থমেলাৰ সাংবাদিক ৰাধিকামোহন ভাগৱতী সোঁৱৰণী প্ৰেক্ষাগৃহত আজি বিয়লি ২ বজাত অনুষ্ঠিত এই আলোচনাচক্ৰখন পৰিচালনা কৰে সাংবাদিক সমুদ্ৰগুপ্ত কাশ্যপে। আলোচনাৰ পাতনি মেলি কাশ্যপে দেবেন্দ্ৰনাথ আচাৰ্যৰ উপন্যাস, কবিতা, গল্প, শিশু সাহিত্য আদিৰ বিষয়ে উল্লেখ কৰাৰ উপৰি লেখকগৰাকীৰ জীৱন-পৰিক্ৰমাৰ বিষয়েও উপস্থিত ৰাইজক সবিশেষ জানিবলৈ দিয়ে। খড়গপুৰ আই আই টিৰ পৰা ইঞ্জিনীয়াৰিঙৰ স্নাতক, লণ্ডনৰ চিমেণ্ট এণ্ড কংক্ৰিট এছ'চিয়েশ্বনত দুবছৰৰ বাবে যোগদান, লণ্ডন ইম্পেৰিয়েল কলেজ অব্ ছায়েন্স এণ্ড টেক্নল'জীৰ পৰা ইঞ্জিনীয়াৰিঙত স্নাতকোত্তৰ ডিগ্ৰীধাৰী, যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক, অসম চৰকাৰৰ কাৰিকৰী শিক্ষা বিভাগৰ উপ-সঞ্চালক তথা অসম গেছ কোম্পানীৰ পৰিচালন সঞ্চালকৰ পদত অধিষ্ঠিত হৈয়ো অসমীয়া সাহিত্যক সবল গতি প্ৰদান কৰোঁতা সাহিত্যিকসকলৰ ভিতৰত অগ্ৰগণ্য আছিল দেবেন্দ্ৰনাথ আচাৰ্য। দেবেন্দ্ৰনাথ আচাৰ্যৰ উপন্যাসৰ বৈশিষ্ট্যৰ বিষয়ে ক'বলৈ গৈ প্ৰথমগৰাকী আলোচক ড° গোবিন্দ প্ৰসাদ শৰ্মাই কয় যে আচাৰ্যৰ দৰে ব্যতিক্ৰমী ঔপন্যাসিক দৰাচলতে বিৰল। প্ৰকাশভংগী, কাহিনীৰ গঠনৰ লগতে ইতিহাস চেতনাই আচাৰ্যৰ উপন্যাসক পৃথক চৰিত্ৰ প্ৰদান কৰিছে। আচাৰ্যৰ 'অন্য যুগ অন্য পুৰুষ' উপন্যাসৰ কথা উল্লেখ কৰি বৰ্তমানৰ গঠনমূলক ঐতিহাসিক তথা জীৱনীমূলক উপন্যাসৰ বিষয়েও ড° শৰ্মাই আলোচনা দাঙি ধৰে। ড° শৰ্মাই কয় যে আমি উপন্যাস পঢ়িবলৈ লৈ বুৰঞ্জী পঢ়িব নিবিচাৰোঁ। আজিকালি বুৰঞ্জী পঢ়ি বা জীৱনী পঢ়ি উপন্যাস লিখি দিয়ে। কিন্তু আচাৰ্যৰ উপন্যাসত ইতিহাসৰ সমল থাকে কলাত্মক ৰূপত। দেবেন্দ্ৰনাথ আচাৰ্যই প্ৰকৃতাৰ্থত 'অন্য যুগ অন্য পুৰুষ' উপন্যাসেৰে দ্বিতীয়গৰাকী আধুনিক অসমীয়া ঔপন্যাসিক। প্ৰথমখন আধুনিক অসমীয়া উপন্যাস হৈছে ড° প্ৰফুল্লদত্ত গোস্বামীৰ 'কেঁচাপাতৰ কঁপনি'। আলোচনাচক্ৰত উপস্থিত থাকি বিশিষ্ট গৱেষক, লেখক ড° শৈলেন ভড়ালীয়ে আচাৰ্যৰ উপন্যাসৰ বিষয়ে উল্লেখ কৰি কয় যে অতি মেধাৱী লোকৰ বাবেহে 'এই যুগ এই পুৰুষ', 'কালপুৰুষ' আৰু 'জঙ্গম'ৰ দৰে উপন্যাস লিখাটো সম্ভৱ। বুৰঞ্জীমূলক উপন্যাস লিখিবলৈ বুৰঞ্জী নালাগে, বুৰঞ্জীৰ সমল আৰু সমকালৰ তথ্যাদিৰহে প্ৰয়োজন। 'কালপুৰুষ' উপন্যাসত আহোমৰ ৩৬ বছৰৰ কাহিনী আছে। মোগলৰ আক্ৰমণৰ পৰা শৰাইঘাটৰ যুদ্ধত গৈ সমাপ্ত হৈছে। কিন্তু তাত বুৰঞ্জীৰ কোনো ঘটনা নাই, তাত আছে শৰাইঘাটৰ যুদ্ধৰ আগে আগে মনলৈ অহা সংঘাতখিনিহে। 'জঙ্গম' উপন্যাসৰ কথা উল্লেখ কৰি ড° ভড়ালীয়ে কয় যে এখন দেশৰ পৰা ভাগি অহা এদল ভগনীয়া মানুহৰ যন্ত্ৰণা, মনোকষ্টক ইমান কলাত্মকভাৱে প্ৰকাশ কৰি ৰচনা কৰা উপন্যাস সাহিত্যত এক কথাতে বিৰল। এই উপন্যাসত ফুটি উঠা মূল বিষয়টো হৈছে মানৱীয়তা। এজন লেখকৰ বাবে ডাঙৰ সম্পদ হৈছে মানৱতাবোধ। ঔপন্যাসিক আচাৰ্যই 'জঙ্গম'ৰ জৰিয়তে মানৱতাবোধক উৎকৃষ্ট ৰূপত দাঙি ধৰিছে। অসমীয়া মানুহক দুগৰাকী বিশিষ্ট লেখক ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু দেবেন্দ্ৰনাথ আচাৰ্যৰ বিষয়ে আলোচনাচক্ৰ অনুষ্ঠিত কৰি পুনৰ মনত পেলাই দিবলৈ চেষ্টা কৰা বাবে অসম প্ৰকাশন পৰিষদক ধন্যবাদ জনাই ড° ভড়ালীয়ে ঔপন্যাসিক আচাৰ্যৰ উপন্যাসৰ ভাষাৰ বিশিষ্টতা সম্পৰ্কেও বহলাই কয়। আন এগৰাকী আলোচক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক, লেখক ড° সত্যকাম বৰঠাকুৰে লেখক আচাৰ্যৰ গল্পৰ বিষয়ে এটা মনোগ্ৰাহী আলোচনা দাঙি ধৰে। বিশেষজ্ঞ ঔপন্যাসিক হিচাপে প্ৰখ্যাত দেবেন্দ্ৰনাথ আচাৰ্যৰ গল্পকাৰ হিচাপে বিস্তৃত আলোচনা এতিয়ালৈকে হোৱা নাই। ড° বৰঠাকুৰে আলোচনাৰ পাতনি মেলি কয় যে লিখিত ইতিহাস দৰাচলতে এটা ব্যাখ্যাহে। দেবেন্দ্ৰনাথ আচাৰ্যৰ ইতিহাস মৌখিক ইতিহাসহে। ড° বৰঠাকুৰে আচাৰ্যৰ ১৩ টা গল্পৰ বিষয়ে এটা তাত্ত্বিক আলোচনা দাঙি ধৰে। আচাৰ্যৰ মিছ দেশমুখ, পাপ, দধীচি, ৰে'ল যাত্ৰা আদি গল্পবোৰৰ বিষয়ে আলোচনা কৰি কয় যে আধুনিক নাগৰিক জীৱনৰ বিশ্বাসহীনতা, সংশয়, অপ্ৰাপ্তি তথা নিঃসংগতা আদি গল্পবোৰত বিষয় হিচাপে ফুটি উঠিছে। ড° বৰঠাকুৰে কয় যে গল্পবোৰত প্ৰকাশ পোৱা সামাজিক ব্যাখ্যা বিশেষভাৱে মন কৰিবলগীয়া। আলোচক সমুদ্ৰগুপ্ত কাশ্যপে আলোচনাত মোখনি মাৰি আচাৰ্যৰ শিশু সাহিত্য, কবিতাৰ বিষয়েও উল্লেখ কৰে। কাশ্যপে আচাৰ্যৰ অপ্ৰকাশিত 'ৰক্তৰাগ' আৰু 'বেকাৰ নিকেতন' নামৰ উপন্যাস দুখনৰ কথাও উল্লেখ কৰে। আলোচনাৰ পৰিচালক কাশ্যপে দেবেন্দ্ৰনাথ আচাৰ্যৰ কবিতা বহু ক্ষেত্ৰত অমূল্য বৰুৱা, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য আৰু হেম বৰুৱাৰ কবিতাৰ ওচৰ চপা বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। আজিৰ আলোচনাচক্ৰত এইবাৰৰ সাহিত্য অকাডেমী বঁটা বিজয়ী লেখক জয়ন্ত মাধৱ বৰা, লেখক ভৱানীপ্ৰসাদ অধিকাৰী, বিশিষ্ট লেখিকা ড° অঞ্জলি শৰ্মা, ড° তপতী কাশ্যপ বৰুৱা প্ৰমুখ্যে বিশিষ্ট লোকসকল উপস্থিত থাকে।

**সংবাদ বিজ্ঞপ্তি**

**সচিব**

**অসম প্ৰকাশন পৰিষদ**